# নাপিত, মিস্ত্ৰী আদিকো আধুনিক শিক্ষাৰে শিক্ষিত কৰি এচাম উদ্যোগীৰ সৃষ্টি কৰিব লাগিব

## ডিক্ৰুগড়ত জঁপিয়ালে প্ৰেমিক-প্ৰেমিকাই

### দৈৱক্ৰমে জীৱন্তে উদ্ধাৰ প্ৰেমিকা

বান্দৰদেৱা ঃ নিজা বাতৰি দিওঁতা, ১৯ নৱেম্বৰ ঃ প্ৰেমে নামানে বয়স, প্ৰেমে নামানে জাতিকুল। তেনে পৰিৱেশৰ মাজতে আজি লখিমপুৰ জিলাৰ ২নং পাৰ্বতীপুৰ

১১ পিঠিলৈ



ছিপাঝাৰ ঃ নিজা বাতৰি দিওঁতা, ১৯ নৱেম্বৰ ঃ 'একোখন মহাবিদ্যালয়ৰ ঐতিহাসিক প্ৰতিষ্ঠাই ছাত্ৰ-ছাত্ৰীক আধুনিক যুগৰ নাগৰিক হিচাপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।' আজি ছিপাঝাৰত বিশিষ্ট কথা শিল্পী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডাঃ ধ্ৰুৱজ্যোতি বড়াই এইদৰে কয়। ছিপাঝাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণী

১১ পিঠিলৈ

## টাইৱানৰ পাঁচখন বিশ্ববিদ্যালয়ৰে বুজাবুজি চুক্তি ডনবস্ক' বিশ্ববিদ্যালয়ৰ

গুৱাহাটী ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৯ নৱেম্বৰ ঃ অসম ডনবস্ক' বিশ্ববিদ্যালয়ে টাইৱানৰ পাঁচখন বিশ্ববিদ্যালয়ৰ সৈতে নতুন দিল্লীত আজি এ আই চি টি ইৰ অধ্যক্ষ আৰু টাইৱানৰ শিক্ষা মন্ত্ৰালয়ৰ বিষয়ববীয়াৰ উপস্থিতিত এখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। এই বুজাবুজি চুক্তিত স্বাক্ষৰ কৰা বিশ্ববিদ্যালয়সমূহ হ'ল— নেশ্যনেল চি নান ইউনিভাৰ্চিটি, ইউয়ান

১১ পিঠিলৈ

This pho
Nirn
21 No
Edit
Like
Write a
Type here to search
Scanned with OKEN Scanner

https://www.facebook.com/photo/?fbid=7386355991396875&set=pcb.7386356254730182

# নাপিত, মিস্ত্ৰী আদিকো আধুনিক শিক্ষাৰে শিক্ষিত কৰি এচাম উদ্যোগীৰ সৃষ্টি...

অনুষ্ঠানৰ মুকলি সভাত উদ্বোধক হিচাপে উপস্থিত থাকি নিজৰ বক্তব্যৰ মাজতে বৰাই আৰু কয় যে বৰ্তমান ভাষা-সাহিত্য, সংস্কৃতি সংকটত। গতিকে প্ৰতিজন অসমীয়াই নিজৰ ঐতিহ্য, ভাষা, সাহিত্য, কৃষ্টি-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাভাজন হওক। ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা ছিপাঝাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি ড° পৰমানন্দ ৰাজবংশীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় নতুন শিক্ষা নীতিৰ সম্পৰ্কত কয় যে উচ্চ শিক্ষানুষ্ঠান তথা মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ বাণিজ্য, বিজ্ঞান, কলা শাখাৰ স্নাতক বা উচ্চ শিক্ষা সকলোতে থাকিব। কিন্তু এখন প্ৰমাণ-পত্ৰ প্ৰদানেই শিক্ষাৰ মূল উদ্দেশ্য হ'ব নোৱাৰে। চিকিৎসক, অভিযন্তাৰ লগতে উদ্যমী ব্যক্তি সৃষ্টি কৰিব লাগিব। নাপিত, মিস্ত্ৰী আদিকো আধুনিক শিক্ষাৰে শিক্ষিত কৰি তুলি এচাম উদ্যোগীৰ সৃষ্টি কৰিব লাগিব। সৰকাৰ হ'লে পাঠ্যপুথি প্ৰস্তুত কৰি তোলক। নহ'লে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ উদ্দেশ্য সফল নহ'ব। সভাত আনগৰাকী মুখ্য অতিথি হিচাপে উপস্থিত থাকে মঙলদৈ লোক সভাৰ সাংসদ দিলীপ শইকীয়া। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ছিপাঝাৰৰ ৰাজহ চক্ৰ বিষয়া কমলজিৎ শৰ্মা আৰু দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা। মহাবিদ্যালয়ৰ অধ্যাপক ড° প্ৰসন্ন নাথে আঁত ধৰা সভাত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সোণালী জয়ন্তীৰ সম্পাদক ড° প্ৰদীপ চন্দ্ৰ ডেকাই। যোৱা ১৭, ১৮, ১৯ নৱেম্বৰত তিনিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ছিপাঝাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাৰে মুখৰিত হৈ পৰে ৰাজপথ। দৰঙৰ থলুৱা আৰু আপুৰুগীয়া বিভিন্ন কৃষ্টি-সংস্কৃতিৰ লগতে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতিফলন ঘটে বৰ্ণাঢ্য শোভাযাত্ৰাত। প্ৰায় দুই কিলোমিটাৰজোৱা এই শোভাযাত্ৰাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষী, মহাবিদ্যালয় পৰিয়াল আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰি সোণালী জয়ন্তীৰ বৰ্ণিল পৰিক্ৰমাৰ সাক্ষী হয়।

দৰঙৰ প্ৰখ্যাত উদ্যোগপতি মুকুল চন্দ্ৰ ডেকাই শোভাযাত্ৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ছিপাঝাৰ মহাবিদ্যালয়ৰ বৰ্ণিল যাত্ৰা ৰোমন্থন কৰে। উল্লেখযোগ্য যে দৰঙৰ ঢেপাঢুলীয়া, ৰৰঢুলীয়া, মহৰীখুল্লা, আইনাম, বিয়ানাম আদিৰ উপৰি চহা জীৱন, মহাকাব্যিক চৰিত্ৰ, জনগোষ্ঠীয় কৃষ্টি আদিৰ প্ৰতিফলনেৰে বৰ্ণিল ৰূপ লোৱা শোভাযাত্ৰাক নেতৃত্ব দিয়ে বিশিষ্ট লোকশিল্পী ক্ৰমে ৰাজেন্দ্ৰ নাথ ওজা, হৰেন্দ্ৰ নাথ ওজা, ৰত্নেশ্বৰ বৰা ওজা আৰু দিলীপ বৰুৱাই। মহাবিদ্যালয়ৰ পৰা আৰম্ভ হোৱা শোভাযাত্ৰাই ৰাষ্ট্ৰীয় ঘাইপথেৰে পৰিভ্ৰমণ কৰাৰ অন্তত পুনৰ আহি সভাস্থলীত সমবেত হয়। শোভাযাত্ৰাৰ পাছতে সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি স্থাপন কৰা চিত্ৰ প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে নিউজ লাইভ-নিয়মীয়া বাৰ্তাৰ সাংবাদিক ৰঞ্জিত কুমাৰ নাথে। অনুষ্ঠানত সদৌ অসম ওজা সন্থাৰ সভাপতি কন্দৰ্প কলিতাও উপস্থিত থাকে। ইফালে আজিৰ দ্বিতীয় দিনৰ অন্যতম আকৰ্ষণীয় কাৰ্যসূচী 'ন-পুৰণি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সন্মিলন' উদ্বোধন কৰে বিশিষ্ট শিল্পী তথা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° হৰেন বৰাই। সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ 'সোণালী সুবাস' উন্মোচন কৰি কটন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° পৰেশ কুমাৰ চহৰীয়াই সোণালী জয়ন্তী মানে কেৱল গান-বাজনাৰ অনুষ্ঠান নহয়, এয়া অতীত ৰোমন্থন কৰি আগবাঢ়ি যোৱাৰ সময় বুলি অভিহিত কৰে। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ক্ৰমে সচিবালয় অধীক্ষক সুৰেশ কুমাৰ, অধ্যাপক হিচাপে কৰ্মৰত ক্ৰমে ড° মণ্টু হাজৰিকা, বলোৰাম নাথ, ড° দুলাল হাজৰিকাৰ লগতে যুৱ নেতা দিব্যজ্যোতি শৰ্মা আৰু জিতুমণি কলিতাই সঞ্চালনা কৰা অনুষ্ঠানটো সাংবাদিক বিনয় ৰঞ্জন শৰ্মা, শিল্পী পবিত্ৰ শইকীয়া, গায়ক হাবেজ আলী, অভিনেতা কঙ্ক ডেকা, অধ্যাপক তথা প্ৰাক্তন ছাত্ৰ ড° প্ৰসন্ন কুমাৰ নাথ, সৰাজু মহন্ত, মুন মহন্ত, বাবু ডেকা, জোনালিমা হাজৰিকা, মামণি গোস্বামী, প্ৰফুল্ল চহৰীয়া আদিয়ে গীত-মাত-নৃত্যৰে জীপাল কৰাৰ লগতে অনেকীয়া দিনৰ স্মৃতিৰে নষ্টালজিক হৈ পৰে। মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ মুখ্য কাণ্ডাৰী প্ৰয়াত কেশৱ চন্দ্ৰ নাথৰ অৱদানো আলোচিত হয়।

Scanned with OKEN Scanner